# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-12-2024 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। বৃহস্পতিবাৰৰ নিশা দেহাৱসান ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ শেষকৃত্য সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে আজি দিল্লীৰ নিগমবোধ ঘাটত সম্পন্ন হয়।

২। কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰয়াত প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ সমাধি নিৰ্মাণৰ বাবে ভূমি আৱণ্টনত অনুমোদন জনাইছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ এঘাৰ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

৪। ভাৰতে মেলবৰ্ন টেষ্টৰ তৃতীয় দিনৰ খেলৰ সামৰণি পৰলৈকে প্ৰথম ইনিংছত ৯ টা উইকেট হেৰুৱাই ৩৫৮ ৰান সংগ্ৰহ কৰিছে।

আৰু

৫। ভাৰতীয় ছুপাৰ লীগ ফুটবল প্ৰতিযোগিতাত আজি ইষ্ট বেংগল ফুটবল ক্লাবে হায়দৰাবাদ ফুটবল ক্লাবৰ বিৰুদ্ধে খেলিব।

0000000

বৃহস্পতিবাৰৰ নিশা ৯২ বছৰ বয়সত দেহাৱসান ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ শেষকৃত্য সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে আজি দিল্লীৰ নিগমবোধ ঘাটত সম্পন্ন হয়। শেষকৃত্যৰ পূৰ্বে শিখ পুৰোহিত আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ পৰিয়ালৰ লোকে গুৰুবাণী পাঠ কৰে। গাৰ্ড অব্ অনাৰ প্ৰদৰ্শনৰ পাছত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ, স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডা আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ড° সিঙৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেকে ধৰি ছোনিয়া গান্ধী, ৰাহুল গান্ধী আৰু অন্যান্য নেতাসকলেও প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰ দেহত পুষ্পাঞ্জলি অৰ্পন কৰে। স্থল সেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, নৌসেনাৰ মুৰব্বী এডমিৰেল দীনেশ কে ত্ৰিপাঠী, বায়ুসেনা মুৰব্বী এয়াৰ চীফ মাৰ্শ্বেল অমৰপ্ৰীত সিং, ভূটানৰ ৰজা জিগমে খেচাৰ নামগিয়াল ৱাংচুক আৰু মৰিচাচৰ বিদেশ মন্ত্ৰী ধনঞ্জয় ৰামফুলেও প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে।

ইয়াৰ আগতে ড° মনমোহন সিঙৰ নশ্বৰ দেহ পুষ্পসজ্জিত বাহনেৰে শোভাযাত্ৰা কৰি মতিলাল নেহৰু মাৰ্গৰ বাসভৱনৰ পৰা আকবৰ ৰোডত থকা কংগ্ৰেছৰ মুখ্য কাৰ্যালয়লৈ নিয়া হয়। কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত দলীয় নেতা-কৰ্মীসকলে প্ৰয়াত নেতাগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে।

কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰয়াত প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ সমাধি নিৰ্মাণৰ বাবে ভূমি আৱণ্টনত অনুমোদন জনাইছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত এই কথা প্ৰকাশ কৰি কয়, যে কংগ্ৰেছ অধ্যক্ষ মল্লিকাৰ্জুন

খাৰ্গেই কৰা অনুৰোধ মৰ্মে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকে দিল্লীৰ এডোখৰ সুবিধাজনক স্থানত ইয়াৰ বাবে ভূমি আৱণ্টনৰ সিদ্ধান্ত লয়।

০০০০০০০০০

বিজেপি আৰু নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ এন ডি এ চৰকাৰ দেশৰ অৰ্থনৈতিক উন্নয়নত গুৰুত্বপূৰ্ণ ভেটি স্থাপন কৰা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙক প্ৰাপ্য সন্মান প্ৰদান কৰিবলৈ বদ্ধপৰিকৰ। বিজেপিৰ সাংসদ তথা মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে এই কথা প্ৰকাশ কৰে। ড° মনমোহন সিঙৰ স্মাৰকৰ বাবে ভূমি আবণ্টন সন্দৰ্ভত শ্ৰী ত্ৰিবেদীয়ে কয়, যে কালি মন্ত্ৰীসভাৰ বৈঠকত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ স্মৃতিত এটা স্মাৰক নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে আৰু এই বিষয়ে কংগ্ৰেছ দলক অৱগত কৰোৱা হৈছে। তেওঁ কয়, যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে  ভূমি অধিগ্ৰহণ, ন্যাস গঠন আৰু ভূমি হস্তান্তৰৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত শীঘ্ৰেই স্মাৰক নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব বুলি কংগ্ৰেছ দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক জানিবলৈ দিছে। কংগ্ৰেছে বিষয়টো লৈ ৰাজনীতি কৰা বুলিও মুখপাত্ৰগৰাকীয়ে অভিযোগ তোলে। তেওঁ দুখৰ এই মুহূৰ্তত ৰাজনীতি এৰাই চলা উচিত বুলিও মন্তব্য কৰে। শ্ৰী ত্ৰিবেদীয়ে কয়, যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে দলীয় স্বাৰ্থৰ ঊৰ্ধত উঠি সকলো নেতাৰ প্ৰতি সন্মান জনাই আহিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ এঘাৰ বজাত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব  অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড।  এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপত শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত ১২ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অসম গ্ৰন্থমেলা-২০২৪ অনুষ্ঠিত হৈছে। কালি আনুষ্ঠানিকভাৱে এই গ্ৰন্থমেলা মুকলি কৰা হয়। কাৰ্যসূচী অনুসৰি আজি বিয়লি ২ বজাত গ্ৰন্থ প্ৰকাশৰ দায়বদ্ধতা, প্ৰচাৰ আৰু কৌশল অৱলম্বন বিষয়ক আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰাৰ লগতে অন্তৰংগ আলাপৰো আয়োজন কৰা হৈছে। ড° সমুদ্ৰগুপ্ত কাশ্যপে পৰিচালনা কৰিবলগীয়া এই অন্তৰংগ আলাপত অধ্যাপক, বিশিষ্ট লেখক, সাংবাদিক হিন্দোল সেনগুপ্ত অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে মধ্য প্ৰদেশত আজি প্ৰচণ্ড শীত প্ৰৱাহ আৰু শিলাবৃষ্টিৰ আগজাননী দিছে। তদুপৰি পঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড়, উত্তৰ প্ৰদেশ আৰু ৰাজস্থানত বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বিদৰ্ভ, মহাৰাষ্ট্ৰ আৰু গুজৰাটতো আজি বতৰ একেধৰণৰ হ'ব। বতৰ বিজ্ঞান বিভাগে ৰাজস্থান, হিমাচল প্ৰদেশ, পঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড় আৰু উত্তৰ প্ৰদেশত অহা ২-৩ দিন ধৰি নিশা আৰু পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আগলি বতৰা দিছে।

০০০০০০০০০

পূব মেক্সিক'ত কালি এখন যাত্ৰীবাহী বাছ্ আৰু ট্ৰাকৰ মাজত হোৱা সংঘৰ্ষত কমেও ৮ জন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য ২৭ জন আহত হয়। দুৰ্ঘটনাৰ কাৰণত তদন্ত চলি আছে।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বৰ্ষত ৮৮ টা খনি নিলাম কৰিবলৈ সমৰ্থ হৈছে। খনি মন্ত্ৰ্যালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি ৰাষ্ট্ৰীয় খনি অন্বেষণ ন্যাসে ৬০৯ কোটিৰো অধিক টকাৰ বাজেট সম্বলিত ১২০ টা স্থান অন্বেষণত অনুমোদন জনাইছে। মন্ত্ৰ্যালয়ে অলপতে উপকূলীয় খনি অন্বেষণক উৎসাহিত কৰিবৰ বাবে এখন ৱেবিনাৰৰ আয়োজন কৰিছিল আৰু এই ৱেবিনাৰৰ যোগেদি ১৩ খন উপকূলীয় ক্ষেত্ৰ ই-নিলামৰ বাবে মুকলি কৰা হৈছিল। এই ক্ষেত্ৰকেইখন কেৰালা, গুজৰাট আৰু গ্ৰেট নিকোবৰ দ্বীপপুঞ্জৰ উপকূল অঞ্চলত অৱস্থিত। উপকূলীয় খনিৰ ক্ষেত্ৰত বিশ্বৰ আগবঢ়া দেশসমূহৰ ভিতৰত আছে - চীন, জাপান, নৰৱে, ব্ৰাজিল, দক্ষিণ আফ্ৰিকা, পাপুৱা নিউগিনি, নামিবিয়া আদি।

০০০০০০০০০

বিশ্ব স্বাস্থ্য সংস্থা WHO ৰ সঞ্চালক প্ৰধান টেড্ৰোছ অধোনম ঘেব্ৰেয়ছছে য়েমেনৰ ৰাজধানী ছনাত হুটি বিদ্ৰোহীয়ে আটক কৰা ৰাষ্ট্ৰসংঘৰ ১৩ গৰাকী কৰ্মচাৰীৰ মুক্তি সন্দৰ্ভত আলোচনা সম্পূৰ্ণ হোৱা বুলি প্ৰকাশ কৰিছে। শ্ৰীঘেব্ৰেয়ছছে সামাজিক মাধ্যমযোগে কয়, যে আটক কৰা লোককেইজনক শীঘ্ৰে মুকলি কৰিবলৈ বিশ্ব স্বাস্থ্য সংস্থাই আহ্বান জনাইছে। এই বছৰৰ জুন মাহত ইয়াৰ ১৩ জন কৰ্মচাৰীক হুটি বিদ্ৰোহীয়ে আটক কৰাৰ কথা ৰাষ্ট্ৰসংঘই নিশ্চিত কৰিছে।

০০০০০

ৰাজস্থানৰ আজমেৰত চুফী সন্ত হজৰত খ'ৱাজা মইনুদ্দিন চিষ্টিৰ ৮১৩ সংখ্যক উৰুছৰ প্ৰস্তুতি আৰম্ভ হৈছে। সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰিছে। মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, আজি আজমেৰৰ দৰগাহত চাদৰ আগবঢ়োৱা পৰম্পৰা সম্পন্ন হ'ব।

০০০০০০

ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে মেলবৰ্নত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন টেষ্টৰ তৃতীয় দিনৰ খেলৰ সামৰণি পৰলৈকে আজি প্ৰথম ইনিংছত ৯ টা উইকেট হেৰুৱাই ৩৫৮ ৰান সংগ্ৰহ কৰে। ভাৰত অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছত ৪৭৪ ৰানতকৈ বৰ্তমান ১১৬ ৰানত পিছপৰি আছে। পোহৰ কম হোৱাৰ বাবে আজি খেল নিৰ্ধাৰিত সময়তকৈ কিছু পূৰ্বে সামৰিবলগীয়া হয়। দিনান্তত নীতিশ কুমাৰ ৰেড্ডী ১০৫ আৰু মহম্মদ চিৰাজ ২ ৰান কৰি খেলি আছিল। টেষ্ট ক্ৰিকেটত নীতিশ কুমাৰৰ এয়া হৈছে প্ৰথমটো শতক। ইয়াৰ পূৰ্বে ভাৰতে কালি ৫ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৬৪ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰে। এই পাঁচখনীয়া শৃংখলাত দুয়োটা দলে বৰ্তমানলৈকে একোখনকৈ খেলত জয়লাভ কৰিছে।

০০০০০০০০০

ভাৰতীয় ছুপাৰ লীগ ফুটবল প্ৰতিযোগিতাত আজি ইষ্ট বেংগল ফুটবল ক্লাবে হায়দৰাবাদ ফুটবল ক্লাবৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া ৫ বজাত হায়দৰাবাদত অনুষ্ঠিত হ'ব। আজি সন্ধিয়া চাৰে ৭ বজাত চেন্নাইত হ'বলগীয়া আন এখন খেলত চেন্নাই এফ চিয়ে বেংগালুৰু এফ চিৰ বিৰুদ্ধে খেলিব।

কলকাতাত কালি মহম্মেদান স্পৰ্টিং ক্লাব আৰু ওড়িশা এফ চিৰ মাজত হৈ যোৱা এখন খেল গ’লশূন্যভাৱে শেষ হয়। খেলখনত ওড়িশা এফ চিয়ে বেছিভাগ সময় আধিপত্য বিস্তাৰ কৰিলেও এটাও গ’ল দিবলৈ সমৰ্থ নহ’ল। একেদৰে মহম্মেদান স্পৰ্টিং ক্লাবে দুবাৰকৈ লক্ষ্য লোৱাৰ পাছতো গ’ল দিব নোৱাৰিলে।

ooooooooo

ওড়িশাৰ ৰুৰকেলাত আজি ২০২৪-২৫ বৰ্ষৰ হকী ইণ্ডিয়া লীগ আৰম্ভ হ’ব। প্ৰাৰম্ভিক খেলত দিল্লী এছ জি পাইপাৰ্ছ দল গোনাচিকাৰ মুখামুখি হ’ব। খেলখন বীৰচা মুণ্ডা ষ্টেডিয়ামত নিশা ৮ বাজি ১৫ মিনিটত অনুষ্ঠিত হ’ব।

পুৰুষৰ শাখাৰ খেলসমূহ দুটা পৰ্যায়ত অনুষ্ঠিত হ’ব। প্ৰথম পৰ্যায়ৰ খেলসমূহ আজিৰেপৰা ১৮ জানুৱাৰীলৈকে অনুষ্ঠিত হ’ব। এই পৰ্যায়ত প্ৰতিটো দলে পৰস্পৰৰ বিৰুদ্ধে খেলিব। দ্বিতীয় পৰ্যায়ৰ খেলসমূহ ১৯ জানুৱাৰীৰ পৰা অনুষ্ঠিত হ’ব। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন অহা বছৰৰ ১ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ’ব।

ooooooooo

ভাৰতৰ লক্ষ্য সেন আজি চীনৰ শ্বেনঝেনত অনুষ্ঠিত কিংছ কাপ আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত চীনৰ হু-ঝে এনৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৫ বজাত আৰম্ভ হ’ব। দ্বাদশ বাছনিপ্ৰাপ্ত লক্ষ্য সেনে কালি কোৱাৰ্টাৰ ফাইনেলত সপ্তদশ বাছনিপ্ৰাপ্ত অংগাছ এন জি কালঙক ১০-২১, ২১-১৩, ২১-১৩ গেমত পৰাস্ত কৰে।

ooooooooo

সমাপ্ত